# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

**নং ঃ ১১২/২০২০**

## ক'ৰ'ণা ভাইৰাছৰ সংক্ৰমণ নিয়ন্ত্ৰণৰ বাবে স্বাস্থ্য বিভাগৰ প্ৰস্তুতিৰ বুজ ল'লে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে

### ৰাইজক আতংকিত নহ'বলৈ মুখ্যমন্ত্ৰীৰ আহ্বান, সজাগতামূলক কাৰ্যসূচীৰ ওপৰত গুৰুত্ব আৰোপ

**দিছপুৰ, ৭ মাৰ্চ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাগৃহত আয়োজিত এক বৈঠকত ৰাজ্যখনত ক'ৰ'ণা ভাইৰাছৰ সংক্ৰমণ নিয়ন্ত্ৰণৰ বাবে স্বাস্থ্য বিভাগৰ প্ৰস্তুতি তথা নিৰীক্ষণ ব্যৱস্থাৰ পৰ্যালোচনা কৰে।

ৰাজ্যবাসীক আতংকিত নহ'বলৈ আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰাখি এই ৰোগৰ পৰা নিজকে সুৰক্ষিত কৰি ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। কোনো বিদেশী ব্যক্তি দেখিলেই ৰাইজক আতংকিত নহ'বলৈ আহ্বান জনোৱাৰ লগতে তেওঁলোকৰ সুৰক্ষাৰ ক্ষেত্ৰত আৰক্ষী বিভাগক প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে।

পৰ্যালোচনা বৈঠকত মুখ্যমন্ত্ৰীয়ে দিছপুৰৰ পৰা পঞ্চায়ত পৰ্যায়লৈ সকলো চৰকাৰী বিষয়া-কৰ্মচাৰীকে ক'ৰ'ণা ভাইৰাছৰ সংক্ৰমণ তথা প্ৰতিৰোধমূলক ব্যৱস্থা সন্দৰ্ভত সজাগ কৰি তুলিবলৈ নিৰ্দেশ দিয়ে। জনসাধাৰণৰ মাজত এই ৰোগৰ ক্ষেত্ৰত গ্ৰহণ কৰিবলগীয়া সাৱধানতাৰ সম্পৰ্কে সজাগতাৰ পদক্ষেপ ল'বলৈ মুখ্যমন্ত্ৰীয়ে স্বাস্থ্য বিভাগক নিৰ্দেশ দিয়ে। এই ক্ষেত্ৰত ৰাজ্যৰ ৪৪ হাজাৰ আশা আৰু অংগনৱাড়ী কৰ্মীৰ সুকীয়া গোট গঠন কৰি গাঁৱে-গাঁৱে সজাগতা বিয়পাবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। এই ক্ষেত্ৰত ৰাজ্যখনৰ চৰকাৰী আৰু ব্যক্তিগত চিকিৎসা প্ৰতিষ্ঠানসমূহৰ চিকিৎসক আৰু স্বাস্থ্য কৰ্মীসকলৰ প্ৰয়োজনীয় প্ৰশিক্ষণ সুনিশ্চিত কৰাৰ ওপৰতো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে।

জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ দিশটোৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে অনাগত এসপ্তাহৰ ভিতৰত ৰাজ্যৰ সকলো পঞ্চায়ত, গাঁও, চাহ বাগান আৰু নগৰত সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ বিভাগটোক নিৰ্দেশ দিয়ে। যাত্ৰীসকলৰ মাজত ক'ৰ'ণা ভাইৰাছৰ বিষয়ে সজাগতা সৃষ্টিৰ পদক্ষেপ ল'বলৈ অসম ৰাজ্যিক পৰিবহন নিগমকো মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। তেওঁ লগতে ৰেল বিভাগকো এই ক্ষেত্ৰত স্বাস্থ্য বিভাগৰ সৈতে সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। সজাগতামূলক পদক্ষেপৰ ক্ষেত্ৰত সকলো চৰকাৰী বিভাগকে সহযোগিতাৰে আগবাঢ়িবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত অৱতৰণ কৰা আন্তৰ্জাতিক বিমানসমূহৰ সকলো যাত্ৰীৰে স্বাস্থ্য পৰীক্ষা সম্পন্ন কৰাৰ লগতে ৰাজ্যখনৰ অন্যান্য বিমান বন্দৰসমূহতো নিয়মীয়া পৰীক্ষণ চলাই থকা হৈছে বুলি স্বাস্থ্য বিভাগৰ বিষয়ববীয়াসকলে মুখ্যমন্ত্ৰীক অৱগত কৰে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ত ইতিমধ্যে আইচ'লেশ্যন ৱাৰ্ড প্ৰতিষ্ঠা কৰাৰ লগতে সকলো জিলা চিকিৎসালয়তো তাৰ বাবে স্থান চিনাক্ত কৰা হৈছে। জিলাসমূহত স্বাস্থ্যকৰ্মীসকলক মাজত এই ক্ষেত্ৰত প্ৰয়োজনীয় প্ৰশিক্ষণ ইতিমধ্যে প্ৰদান কৰা হৈছে বুলি তেওঁলোকে অৱগত কৰে।

বৈঠকত ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী পীযুষ হাজৰিকা, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, আৰক্ষী মহাপৰিদৰ্শক ভাস্কৰ জ্যোতি মহন্ত, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া, স্বাস্থ্য বিভাগৰ প্ৰধান সচিব সমীৰ সিনহা, স্বাস্থ্য বিভাগৰ আয়ুক্ত সচিব অনুৰাগ গোৱেল, ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনৰ পৰিচালন সঞ্চালক ডাঃ এছ লক্ষ্মণন, গুৱাহাটী মেডিকেল কলেজৰ অধ্যক্ষ, জি এম চি এইচৰ অধীক্ষককে ধৰি ৰেল বিভাগ আৰু স্বাস্থ্য বিভাগৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত আছিল।

**বীঃগঃ / প্ৰঃকুঃবঃ**

৭-০৩-২০২০

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in